### ০.১.২ সম্পাদনা-প্ৰকাশনৰ প্ৰায়োগিক আৰু বৃত্তিমুখী গুৰুত্ব

ক্ৰমাগত বৰ্ধিত চাহিদা আৰু বিদ্যায়তনিক গুৰুত্বই সম্পাদক পদটো **এটা সন্মানজনক** বৃত্তি হিচাপেও থিয় কৰাইছে। সমাজৰ সন্মানীয় লেখকসকলৰ ৰচনাৰাজি সম্পাদনা কৰাৰ কৰ্তৃত্ব আৰু দায়িত্ব সম্পাদকসকলেই বহন কৰে। লেখকসকলে সম্পাদকৰ কথা মনোযোগেৰে শুনে আৰু সেইমতে কামত অগ্ৰসৰ হয়। লেখক এজোনৰ ৰচনা বা পাণ্ডুলিপি একোটাৰ দ্ৰষ্টাৰূপে সম্পাদক এজনে নিজৰ কৰ্ম সম্পাদন কৰে। পাঠক আৰু লেখকৰ মাজৰ সমন্বয়ক হিচাপে, পাঠকৰ ৰুচিৰ অনুকূলে ৰুচিশীলতা আৰু শিল্পগুণধৰ্মিতাত গুৰুত্ব দি লেখকৰ বক্তব্য-বিষয়ক বৃহৎ জনগণৰ চিন্তা অথবা জ্ঞান-মনোৰঞ্জনৰ অংশ কৰি তুলিব পৰা অসাধাৰণত্বৰ গৰাকী হিচাপে সম্পাদক একোজনে দায়িত্ব পালন কৰে। প্ৰচলিত ৰীতি বা ধাৰাৰ সপক্ষে অথবা বিপক্ষে লেখকৰ দৃষ্টিভংগী তথা চেতনাক সম্পাদক এজনেই মাৰ্গদৰ্শন কৰিব পাৰে। লেখকসকলক যদি কোনো এটা জাতিৰ বৌদ্ধিক প্ৰাণ হিচাপে ধৰা যায়, তেনেহ'লে সম্পাদকসকলো বৌদ্ধিক নেতৃত্ব প্ৰদানকাৰী সত্তা হিচাপে ধৰিব পাৰি।

সাম্প্ৰতিক কালত সেয়েহে সম্পাদনা বিষয়টোৱে এক বিশাল **প্ৰায়োগিক ক্ষেত্ৰৰ সন্ধান** দিছে। বিভিন্ন চৰকাৰী, অৰ্ধ-চৰকাৰী, চৰকাৰী স্বতন্ত্ৰ, বেচৰকাৰী প্ৰকাশন সংস্থাত সম্পাদনাপক্ষৰ গুৰুত্ব বাঢ়িবলৈ ধৰিছে। পাঠ্যক্ৰমৰ আধাৰত শিক্ষিত আৰু কৰ্ম-অভিজ্ঞ শিক্ষাৰ্থীয়ে এনেবোৰ প্ৰতিষ্ঠানৰ সম্পাদনা বিভাগত নিযুক্ত হ'ব পাৰিছে। আনহাতে বাতৰি কাকত আৰু আলোচনীৰ কাৰ্য্যালয়সমূহতো সম্পাদনা বিভাগত অনেক প্ৰাৰ্থী নিযুক্ত হৈ আছে; অৱশ্যে তেওঁলোকৰ যোল্ল অনাই সম্পাদনা বিষয়ত কৰ্মদক্ষ নহ'লেও সাংবাদিকতাৰ অভিজ্ঞতাৰে পুষ্ট। চৰকাৰী বা অৰ্ধ-চৰকাৰী তথা স্বতন্ত্ৰ (চৰকাৰী) সংস্থাসমূহত সম্পাদক, উপ-সম্পাদক আদি পদৰ বাবে ভাৰতীয় সংবিধান স্বীকৃত আঠাইকেইটা ভাষাতে বিজ্ঞাপন প্ৰকাশিত হৈ আহিছে। এইবোৰত দৰমহাৰ নিৰিখো অতি সন্তোষজনক। উদাহৰণস্বৰূপে, ভাৰত চৰকাৰৰ শিক্ষা মন্ত্ৰালয়ৰ তেনে এটি স্বতন্ত্ৰ প্ৰকাশন সংস্থা 'ৰাষ্ট্ৰীয় পুস্তক ন্যাস, ভাৰত' (National Book Trust, India বা চমুকৈ NBT)ত সম্পাদক পদৰ বাবে স্নাতক ডিগ্ৰীধাৰী, নিৰ্দিষ্ট বিষয়ত ভাষাজ্ঞান, হিন্দীত কোৱা আৰু লিখাৰ যোগ্যতাৰ লগতে স্নাতকোত্তৰ ডিগ্ৰীধাৰীক প্ৰাধান্য দিয়া হয়। এই পদৰ বাবে তিনি বছৰীয়া কৰ্ম-অভিজ্ঞতা জৰুৰী হিচাপে ধৰা হয়। তেনে অভিজ্ঞতাবোৰ হৈছে —

প্ৰুফ শুদ্ধি, গ্ৰন্থ-আলোচনীৰ অলংকৰণ-অংগসজ্জাৰ ব্যাৱহাৰিক জ্ঞান, গ্ৰন্থ আলোচনা লেখন, যিকোনো বিষয়তে আলোচনা লিখিব পৰা দক্ষতাকে ধৰি সম্পাদনাৰ প্ৰায়োগিক জ্ঞান প্ৰয়োজনীয়। তদুপৰি কম্পিউটাৰ জ্ঞানৰ ক্ষেত্ৰতো বিশেষকৈ পেজমেকাৰত (Adobe Pagemaker) কাম কৰাৰ দক্ষতাৰ লগতে MS Excel, MS Word আদি ছফ্টৱেৰতো কাম কৰাৰ অভিজ্ঞতা থকা বাঞ্ছনীয়। ঠিক একেদৰে ৰাষ্ট্ৰীয় পৰ্যায়ৰ গ্ৰন্থ প্ৰকাশন উদ্যোগ, যেনে ঃ ৰ'লী বুক্‌ছ, ৰুপা পাব্লিকেছন, মেকমিলান লিমিটেড, হাছিটি ইণ্ডিয়া, হাৰ্পাৰক'লিনছ, হে'ল পাব্লিকেছন ইণ্ডিয়া, কেম্ব্ৰিজ য়ুনিভাৰ্ছিটি প্ৰেছ, অৰিহান্ট পাব্লিকেছন, কথা (দিল্লী), সৃষ্টি পাব্লিচাৰ্ছ, সৰস্বতী হাউছ, বাণী প্ৰকাশন আদিতো সুদক্ষ সম্পাদনা বিভাগ একোটা আছে। এনে প্ৰকাশন-গৃহসমূহত হিন্দী বা ইংৰাজী ভাষাৰ লগতে অন্য ভাষাৰ গ্ৰন্থও অনুবাদকৰ হতুৱাই অনুবাদ আৰু সম্পাদনা কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰকাশ কৰে। উল্লেখযোগ্য যে, ৰাষ্ট্ৰীয় পৰ্যায়ৰ চৰকাৰী বা বেচৰকাৰী প্ৰতিষ্ঠানসমূহত সম্পাদনা বিভাগৰ কৰ্মশৈলী এনেধৰণৰ হয় —

- প্ৰকাশকে গ্ৰহণ কৰা আঁচনিৰ আধাৰত যিবোৰ পাণ্ডুলিপি আহে, সেইবোৰৰ গ্ৰহণযোগ্যতা; প্ৰাসংগিকতা বিচাৰ কৰা;
- পুংখানুপুংখকৈ পাণ্ডুলিপিসমূহ পঢ়ি, শুধৰাবলগীয়া অংশসমূহ চিনাক্ত কৰি লেখকৰ সৈতে আলোচনা কৰা;
- পাণ্ডুলিপি খৰচি মাৰি পঢ়ি লেখকক শুধৰাবলৈ যাৱতীয় পৰামৰ্শ দিয়া;
- লেখকৰপৰা ঘূৰি অহা কপি আৰু সম্পাদনা বিভাগত শুধৰোৱা কপিৰ উমৈহতীয়া আসোঁৱাহ দূৰ কৰি শুদ্ধীকৰণ, অক্ষৰ বিন্যাসৰ ব্যৱস্থা কৰা;
- প্ৰুফ কপি সম্পাদকে নিৰীক্ষণ কৰি লেখক আৰু আৰ্হিপাঠ নিৰীক্ষকক নিৰীক্ষণ কৰিবলৈ দিয়া;
- প্ৰুফ শুদ্ধিৰ পাছত পাণ্ডুলিপিৰ সামগ্ৰিক পৰিকল্পনা আৰু অলংকৰণ-অংগসজ্জাৰ ব্যৱস্থা কৰা;
- প্ৰকাশন-গৃহৰ নিৰ্ধাৰিত নীতি অনুসৰি গৃহ ৰীতি (House Style)ৰ নিৰীক্ষণ, প্ৰাথমিক পৃষ্ঠাসজ্জা আদিৰ কাম তদাৰক কৰা;

- যাৱতীয় চিত্ৰসজ্জা, প্ৰচ্ছদ নিৰ্মাণ, গ্ৰন্থৰ আৱয়বিক পৰিকল্পনাৰ সমস্ত কাম নিৰীক্ষণ কৰা; আদি।

গতিকে, এনেধৰণৰ কাৰ্য্যাৱলীৰ ভিত্তিতে ৰাষ্ট্ৰীয় পৰ্যায়ৰ চৰকাৰী-বেচৰকাৰী প্ৰকাশন-গৃহসমূহত সম্পাদনা বিভাগ একোটা কাৰ্য্যক্ষম হৈ উঠে। এই সম্পাদনা বিভাগসমূহত উল্লিখিত অৰ্হতা বা যোগ্যতাৰ ভিত্তিতেই সম্পাদক, উপ-সম্পাদক, সহকাৰী-সহযোগী সম্পাদক নিযুক্ত কৰি সম্পাদনা বিষয়টোৰ বৃত্তিমুখী গুৰুত্ব প্ৰতিষ্ঠাত উদ্‌গনি যোগাইছে।

## ০.২ প্ৰকাশন ব্যৱস্থাৰ ধাৰণা

গ্ৰন্থৰ মুদ্ৰণ কৰি বজাৰত পাঠকৰ সহজলভ্য কৰা ব্যৱস্থাটোৱেই সহজ অৰ্থত 'প্ৰকাশন ব্যৱস্থা'। স্বাভাৱিকতে, লেখকৰপৰা পাণ্ডুলিপি লৈ প্ৰকাশকজনে নিজাববীয়াকৈ অৰ্থ বিনিয়োগ কৰে আৰু পাণ্ডুলিপিটো গ্ৰন্থৰ ৰূপ দি পাঠকৰ হাতলৈ দিয়ে। প্ৰকাশকজনৰ বাবে গ্ৰন্থ প্ৰকাশ-বিপণন কৰাটো এটা ব্যৱসায়; আন সামগ্ৰী প্ৰস্তুত কৰি বিক্ৰীৰ জৰিয়তে লাভ অৰ্জন কৰাৰ দৰে কিতাপো এটা সামগ্ৰী ৰূপেই ব্যৱহাৰ কৰা হয়। কিতাপৰ বিক্ৰীৰ সংখ্যা যিমানেই বাঢ়ে এজন প্ৰকাশকৰ লাভৰ পৰিমাণো বাঢ়ে। একোখন কিতাপত বিনিয়োগ কৰা ধনৰাশি কিতাপ বিক্ৰীৰ জৰিয়তে প্ৰকাশকৰ হাতলৈ ঘূৰি আহে আৰু তাৰে লভ্যাংশৰে দ্বিতীয়খন গ্ৰন্থ প্ৰকাশৰ বাবে আগ বাঢ়ে। ধনৰ বিনিয়োগ > বিক্ৰী > বিনিয়োগ কৰা ধনৰাশি আৰু লাভাংশ ঘূৰি অহা > পুনৰ বিনিয়োগ[১] — প্ৰকাশক এজনে এই সমীকৰণ বা প্ৰক্ৰিয়াকে পুনৰাবৃত্তি কৰি থাকে। যদি সামগ্ৰী বা গ্ৰন্থখনৰ বিক্ৰী কম হয়, তেনেহ'লে প্ৰকাশকৰ বিনিয়োগৰাশি উভতি অহাৰ সম্ভাৱনা নাথাকে। কোনোধৰণৰ লাভাংশ নোপোৱাকৈ প্ৰকাশন প্ৰতিষ্ঠান এটা বেছি দিনলৈ নিশ্চিতভাৱেই টিকিব নোৱাৰে। সেয়েহে প্ৰকাশন একোটাক এনেকুৱা গ্ৰন্থৰ পাণ্ডুলিপিৰ প্ৰয়োজন, যিখনৰ অধিক কপি বজাৰত বিক্ৰী হয় আৰু তাৰপৰা লাভ হয়। বজাৰত বিক্ৰীৰ কম সম্ভাৱনা থকা কিতাপৰ পাণ্ডুলিপি প্ৰকাশকে ল'ব নিবিচাৰে। গতিকে এটা নিৰ্দিষ্ট ক্ৰমত আঁচনি অনুসৰি নিৰ্দিষ্ট গতিত প্ৰকাশকে গ্ৰন্থ প্ৰকাশ কৰি থাকিব লাগিব, অন্যথা

---

[১] Israel, Semuel. *A Career in Book Publishing*. NBT : Delhi. 1996. p.11

বিনিয়োগৰ ধনৰাশি ঘূৰি অহা আৰু পুনৰ বিনিয়োগ কৰা প্ৰক্ৰিয়া আৰু লাভ গোটোৱা প্ৰক্ৰিয়াটো ক'ৰবাত নহয় ক'ৰবাত বাধাপ্ৰাপ্ত হ'ব।

প্ৰকাশক এজনে পাণ্ডুলিপি একোটা লেখকৰপৰা কেনেধৰণে গ্ৰহণ কৰিব, সেয়া প্ৰতিটো প্ৰকাশন-গৃহৰ নিজস্ব নীতি-আদৰ্শৰ ভিতৰুৱা। পাণ্ডুলিপি একোটা প্ৰকাশকে পচন্দ কৰাৰ পাছত লেখকৰপৰা কপিটো গ্ৰন্থ আকাৰে অৰ্থৰ বিনিময়ত প্ৰকাশ কৰিবলৈ লয়। অৰ্থ বিনিময়ৰ ক্ষেত্ৰত তিনিটা নীতি সাধাৰণতে মানি চলা দেখা যায়। সেইকেইটা হৈছে — গ্ৰন্থ প্ৰকাশ হোৱাৰ আগতেই নিৰ্ধাৰিত জোখত লেখকক মাননি দিয়া, লেখকক নিৰ্ধাৰিত হাৰত মাননি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া, লেখকক নিৰ্ধাৰিত হাৰত সহজ কিস্তিত মাননি পৰিশোধ কৰা।[২]

প্ৰকাশন ব্যৱস্থা এটাত প্ৰকাশ কৰিবলৈ গ্ৰহণ কৰা গ্ৰন্থ একোখনৰ নিৰ্বাচন প্ৰক্ৰিয়াটো সম্পন্ন কৰে সম্পাদনা বিভাগে। সম্পাদনা বিভাগটোত এগৰাকী সম্পাদক আৰু তেওঁৰ একাধিক সহকাৰীয়ে, পাণ্ডুলিপি একোটা নিৰ্বাচনৰপৰা তাক মুদ্ৰণ যন্ত্ৰলৈ প্ৰেৰণ কৰালৈকে সমগ্ৰ কাৰ্য্য ব্যৱস্থাত জড়িত থাকে। প্ৰকাশ কৰিবলৈ লোৱা পাণ্ডুলিপি এটা নিৰ্ভুল ৰূপৰ লগতে ভাষাগত, যুক্তিগত, ৰূপগত, স্পষ্টতা, সঠিকতা, উপযোগিতা আৰু পাঠকৰ গুৰুত্ব বা মনোযোগ আকৰ্ষণ কৰিব পৰাকৈ সকলো কাৰ্য্যবিধি সম্পাদনা বিভাগে সম্পন্ন কৰে। প্ৰকাশকক লাভ দিব পৰা এটা পাণ্ডুলিপি নিৰ্বাচনত সম্পাদনা বিভাগে যিদৰে সহযোগিতা কৰে, ঠিক একেদৰে, পাঠককো এটা ৰুচিসন্মত আৰু ত্ৰুটিমুক্ত প্ৰকাশন দিবলৈ সম্পাদনা বিভাগে চেষ্টা কৰে।[৩]

প্ৰকাশন ব্যৱস্থাত সম্পাদনা বিভাগৰ লগতে উৎপাদন(Production) বিভাগ একোটাও জড়িত হৈ থাকে। এই বিভাগত নিয়োজিত হ'ব পৰাকৈও বিশ্ববিদ্যালয়সমূহে পাঠ্যক্ৰম নিৰ্ধাৰণ কৰি দিছে। মুদ্ৰণ আৰু উৎপাদন প্ৰযুক্তি (Printing Technology and Production Managment) বিষয়ত শিক্ষা গ্ৰহণ কৰা শিক্ষাৰ্থীয়ে বিভিন্ন প্ৰকাশন উদ্যোগত মুদ্ৰণ আৰু উৎপাদন শাখাত কাম কৰাৰ সুবিধা গ্ৰহণ কৰি আহিছে। ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়,

---

[২] Israel, Semuel. *A Career in Book Publishing*. NBT : Delhi, 1996. p.12

[৩] *Ibid*. p.12

নেশ্যনেল বুক ট্ৰাষ্ট আদিত এনে পদত মকৰল কৰি আহিছে। তদুপৰি সৰ্বভাৰতীয় পৰ্যায়ত ৰাজহুৱা খণ্ডত সম্পাদনা আৰু প্ৰকাশন ক্ষেত্ৰত অগ্ৰাধিকাৰ লাভ কৰি অহা আৰু কৰিব পৰা বিভাগসমূহ হৈছে —

- ৰাষ্ট্ৰীয় শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (National Council of Educational Research and Training, NCERT);
- প্ৰকাশন বিভাগ (Department of Publication, Ministry of Works and Housing);
- বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদৰ প্ৰকাশন আৰু তথ্য সঞ্চালকালয় (Directorate of Publication and Information, Council of Scientific and Industrial Research);
- ভাৰতীয় কৃষি গৱেষণা পৰিষদ (Indian Council of Agricultural Research);
- ভাৰতীয় সাংস্কৃতিক সমন্বয় পৰিষদ(Indian Council of Cultural Relation (with foreign countries));
- সাহিত্য অকাদেমি (Sahitya Akademy);
- ৰাষ্ট্ৰীয় যাদুঘৰ (National Museum);
- আৰ্কিউলজি চাৰ্ভে অৱ ইণ্ডিয়া (Archiological Survey of India)
- ৰাজ্যিক প্ৰকাশন পৰিষদ (যেনে ঃ অসম প্ৰকাশন পৰিষদ) আদি উল্লেখযোগ্য।

আনহাতে, ব্যক্তিগত খণ্ডতো ভাৰতবৰ্ষত সহস্ৰাধিক প্ৰকাশন প্ৰতিষ্ঠান গঢ় লৈ উঠিছে। ১৯৭৬ চনতে এক তথ্য আৰু গৱেষণা অনুসৰি ভাৰতবৰ্ষত তিনি হাজাৰ প্ৰকাশন প্ৰতিষ্ঠান আছিল।[8] সম্প্ৰতি ইণ্টাৰনেটৰ সাধাৰণ তথ্যত (প্ৰসংগ

[8] National Council of Applied Economic Research (NCAER), *Survey of Indian Book Industry*. NCAER: New Delhi, 1976

বিহীন) এই সংখ্যা ঊনৈশ হাজাৰো অধিক হৈছে। এই তথ্যত সৰু-বৰ, মজলীয়া সকলোধৰণৰ প্ৰকাশন প্ৰতিষ্ঠানেই অন্তৰ্ভুক্ত হৈছে যদিও, এই তথ্যৰপৰা বাদ পৰা প্ৰতিষ্ঠানৰ সংখ্যাও সহস্ৰাধিক হ'ব। সেয়েহে গ্ৰন্থ প্ৰকাশনৰ ব্যৱসায়টো ভাৰতবৰ্ষত এটা উদ্যোগলৈ সম্প্ৰসাৰিত হৈছে। এনে পৰিৱেশত সম্পাদনা আৰু প্ৰকাশন বৃত্তিটো সন্মানজনকভাৱে প্ৰতিষ্ঠা হোৱাৰ লগতে আন্তঃবিদ্যায়তনিক বিষয় হিচাপেও মূৰ দাঙি উঠিছে।

প্ৰকাশন ব্যৱস্থাত উৎপাদন বিভাগটোৰ বিদ্যায়তনিক গুৰুত্বৰ লগে লগে ইয়াৰ প্ৰায়োগিক আৰু বৃত্তিমুখী গুৰুত্বও অপৰিসীম। প্ৰকাশন-গৃহ একোটাত উৎপাদন বিভাগটোত বিভিন্নধৰণৰ কাম-কাজ তদাৰক তথা পৰিচালনা কৰিবলগীয়া হয়। সম্পাদনা বিভাগৰপৰা অহা পাণ্ডুলিপি একোটা কি ৰূপত, কেনে ৰূপত পাঠকৰ হাতলৈ যাব, তাক উৎপাদন বিভাগে নিৰ্ধাৰণ কৰে। সম্পাদনা বিভাগত পাণ্ডুলিপিৰ আন্তঃশুদ্ধতাত যিমান গুৰুত্ব দিয়া হয়, উৎপাদন বিভাগত পাণ্ডুলিপিয়ে কিতাপৰ সাজ পিন্ধোতে বৰ্হিৰূপৰ ৰূপৰেখা অংকনত সিমানেই গুৰুত্ব দিয়া হয়। প্ৰকাশন-গৃহ এটাত উৎপাদন বিভাগৰ কাৰ্য্যক্ৰমণিকাই সততে সামৰি লোৱা দিশসমূহ এনেধৰণৰ—

(ক) অক্ষৰ বিন্যাস বা ডিটিপিৰ তদাৰকী;
(খ) প্ৰুফ চোৱাৰ পাছত শুধৰণিৰ তদাৰকী;
(গ) অলংকৰণ-অংগসজ্জাৰ তদাৰকী;
(ঘ) প্ৰাথমিক পৃষ্ঠাসজ্জাৰ তদাৰকী;
(ঙ) পৃষ্ঠাৰ সীমা নিৰ্ধাৰণ (Page Margine), আখৰৰ হৰফ, আকাৰ পৰিকল্পনা;
(চ) প্ৰচ্ছদ সজ্জাৰ পৰিকল্পনা আৰু প্ৰস্তুতি;
(ছ) কিতাপৰ আকাৰ নিৰ্ধাৰণ;
(জ) কাগজ নিৰ্বাচন;
(ঝ) গ্ৰন্থন বা বাইণ্ডিঙৰ পৰিকল্পনা;
(ঞ) মুদ্ৰণ পদ্ধতি নিৰ্ধাৰণ;
(ট) দাম নিৰ্মাণ পদ্ধতি আদি।